**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-SEP-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

——————————————————

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি যোৰহাটত আয়োজিত এখন বৈঠকত শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাৰ শেহতীয়া বানৰ ক্ষয়ক্ষতিৰ মূল্যায়ন প্ৰক্ৰিয়াৰ বুজ লয় আৰু বান প্ৰভাৱিত লোকসকললৈ আগবঢ়োৱা সমন্বিত আৰ্থিক সাহায্য বিতৰণৰ স্থিতিৰ পৰ্যালোচনা কৰে। বৈঠকত ডঃ শৰ্মাই প্ৰতিগৰাকী বান ক্ষতিগ্ৰস্ত লোকৰ ওচৰলৈ সাহায্য সঠিক আৰু সময়মতে প্ৰেৰণ কৰাটো চৰকাৰৰ দায়িত্ব বুলি উল্লেখ কৰে। তেওঁ লগতে ক্ষয়-ক্ষতিৰ মূল্যায়ন নিখুট আৰু স্বচ্ছভাৱে সম্পন্ন কৰিবলৈ জিলা প্ৰশাসনক কঠোৰ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে কয়, যে ক্ষয়-ক্ষতিৰ মূল্যায়ন কোনো কাৰণে অনুমান-ভিত্তিক বা আধৰুৱা হ'ব নালাগে। তেওঁ লগতে বানপীড়িত লোকলৈ আৰ্থিক সাহায্যৰ প্ৰত্যক্ষ লাভ হস্তান্তৰ প্ৰক্ৰিয়া অধিক দ্ৰুত আৰু সুচল কৰাত গুৰুত্ব আৰোপ কৰে।

০০০০০০

ৰাজ্য চৰকাৰে নিষিদ্ধ ড্ৰাগছৰ অবাধ পয়োভৰ ৰোধ কৰাৰ লগতে আসক্তসকলক মূল সুঁতিলৈ ঘূৰাই অনাৰ বাবে পৰিকল্পনা গ্ৰহণ কৰিছে। যোৰহাটত দুদিনীয়াকৈ অনুষ্ঠিত জিলা আয়ুক্ত সন্মিলনত ড্ৰাগ্‌ছৰ ভয়াৱহতাৰ বিষয়ে আলোচনা হোৱা বুলি প্ৰকাশ কৰি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এখন সংবাদমেলত কয়, যে ৰাজ্যৰ প্ৰতিটো বিধানসভা সমষ্টিতে পুনৰ সংস্থাপন কেন্দ্ৰ স্থাপন কৰা হ'ব আৰু ব্যক্তিগত পুনৰ সংস্থাপন কেন্দ্ৰসমূহ কঠোৰভাৱে নিৰীক্ষণ কৰা হ'ব। তেওঁ কয়, যে ড্ৰাগছৰ সমস্যা অকল আইন-শৃংখলাজনিত সমস্যা নহয়, ইয়াৰ সৈতে আসক্তসকলৰ চিকিৎসা, পুনৰ্বাসন অপৰাধ আৰু আন্তঃৰাজ্যিক তথা আন্তঃৰাষ্ট্ৰীয় সৰবৰাহৰ বিষয়টো জড়িত হৈ আছে। এই সমস্যাৰ সন্মুখীন হোৱা বাবে চৰকাৰে সমন্বিত ব্যৱস্থা গ্ৰহণৰ দিশত আগবাঢ়িছে বুলি তেওঁ মন্তব্য কৰে। ব্যক্তিগত পুনৰ্বাসন কেন্দ্ৰসমূহৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বিষয়টো চৰকাৰী পৰ্যায়ত আলোচনা কৰা হৈছে। তেওঁ লগতে ব্যক্তিগত পুনৰ্বাসন কেন্দ্ৰসমূহ কঠোৰভাৱে নিৰীক্ষণ কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

০০০০০০

লখিমপুৰ জিলাৰ হাৰমতীত কালি শিল্পী জুবিন গাৰ্গৰ পূৰ্ণাংগ প্ৰতিমূৰ্তি আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। ডিব্ৰুগড়ৰ শিল্পী যদুমণি গগৈয়ে নিৰ্মাণ কৰা এই প্ৰতিমূৰ্তিটো জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গৰ উপস্থিতিত উন্মোচন কৰা হয়। হাৰমতী আঞ্চলিক যুৱ সংঘ আৰু হাৰমতীবাসী ৰাইজৰ যৌথ উদ্যোগত এই প্ৰতিমূৰ্তিটো স্থাপন কৰা হৈছে। এই সন্দৰ্ভত গৰিমা শইকীয়া গাৰ্গে এইদৰে মনৰ ভাৱ ব্যক্ত কৰে।

**বাইট (গৰিমা গাৰ্গ)**

০০০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী অশোক সিংহলে কালি কলিয়াবৰ মহকুমা অসামৰিক চিকিৎসালয় পৰিদৰ্শন কৰে আৰু বহিঃবিভাগ এক্সৰে, চিটী স্কেনকে ধৰি চিকিৎসালয়খনত উপলব্ধ স্বাস্থ্য সেৱা তথা সুবিধাৰ বুজ লয়। তেওঁ লগতে চিকিৎসক আৰু প্ৰশাসনিক বিষয়াসকলৰ সৈতে মত-বিনিময় কৰি ৰোগীসকলক অধিক উন্নত, গুণগত আৰু ফলপ্ৰসূ স্বাস্থ্য সেৱা প্ৰদানৰ বাবে ল'বলগীয়া বিভিন্ন ব্যৱস্থাৰ বিষয়ে আলোচনা কৰে। তেওঁ চিকিৎসালয় চৌহদত নিৰ্মীয়মান ১৫০খন বিছনাযুক্ত নতুন শাখাৰ নিৰ্মাণ কাৰ্যৰ অগ্ৰগতিৰো বুজ লয়।

০০০০০০

নৱম ৰাষ্ট্ৰীয় পোষণ মাহৰ কাৰ্যসূচীৰ অংশ হিচাপে ডিব্ৰুগড় জিলা সমাজ কল্যাণ বিভাগৰ অধীনত জিলাখনৰ সকলো উন্নয়ন খণ্ডত খাদ্য বৈচিত্ৰ্য, পুষ্টিকৰ খাদ্যাভ্যাস আৰু স্বাস্থ্যসন্মত খাদ্য গ্ৰহণৰ বাবে সজাগতা কাৰ্যসূচী অনুষ্ঠিত হৈছে। ইয়াৰ অধীনত অংগনৱাড়ী কেন্দ্ৰসমূহত সতেজ গৰম ৰন্ধা আহাৰ প্ৰদানৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে পুষ্টিকৰ খাদ্য সামগ্ৰী প্ৰদৰ্শনী আৰু প্ৰটিন সমৃদ্ধ খাদ্য গ্ৰহণৰ প্ৰতি উৎসাহিত কৰা হৈছে। অংগনৱাড়ী কৰ্মী আৰু ক্ষেত্ৰপৰ্যায়ৰ কৰ্মীসকলে ঘৰে ঘৰে গৈ পৰিপুষ্টিৰ বাবে পৰামৰ্শ দিয়াৰ লগতে মাতৃ আৰু শিশুৰ উপযুক্ত খাদ্য গ্ৰহণ নিশ্চিত কৰাৰ চেষ্টা চলাইছে। ইয়াৰ জৰিয়তে জিলাখনত পুষ্টি সম্পৰ্কীয় ফলাফল উন্নত কৰি সুস্থ সমাজ গঢ়ি তোলাৰ প্ৰয়াস কৰা হৈছে।

০০০০০০

লখিমপুৰ জিলাৰ বিভিন্ন প্ৰান্তত কালি ৰাষ্ট্ৰীয় বাল স্বাস্থ্য কাৰ্যসূচীৰ ভ্ৰাম্যমাণ স্বাস্থ্য দলৰ উদ্যোগত শিশুৰ বিশেষ স্বাস্থ্য পৰীক্ষা শিবিৰৰ আয়োজন কৰা হয়। শিবিৰত চিকিৎসকসকলে শিশুসকলৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে আৱশ্যকীয় ঔষধপাতি আৰু পৰামৰ্শ আগবঢ়াইছে। জটিল ৰোগত আক্ৰান্ত বা বিশেষ চিকিৎসাৰ প্ৰয়োজন হোৱা শিশুসকলক উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ কৰাৰো ব্যৱস্থা কৰা হয়।

০০০০০০

**সমাপ্ত**